**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ, ১৯৭১ চন বাহাল থাকিব বুলি কৰা উচ্চতম ন্যায়ালয়ৰ ৰায়দানক ঐতিহাসিক হিচাপে অভিহিত কৰিব নোৱাৰি বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয় যে অসমৰ গৰিষ্ঠ সংখ্যক লোকে বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৫১ চন হোৱাটো বিচাৰিছিল। এই ৰায়ে মনত সুখ আৰু দুখৰ মিশ্ৰিত অনুভূতিৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমবাসীয়ে সকলো প্ৰত্যাহ্বান নেওচি সফলতাৰ পথত আগবাঢ়ি আহিছে আৰু ভৱিষ্যতেও আগবাঢ়ি যাব।

*(বাইট)*

উল্লেখযোগ্য যে যোৱা ১৭ অক্টোবৰত ন্যায়ালয়ে অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল।

oooooooo

ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে কালি ৩ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিংহ আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ-নিৰ্বাচন হ'বলগীয়া ৰাজ্যৰ সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ, ভাষিক বা ধৰ্মীয় গোটক আঘাট হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ-পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান

সংগ্ৰহৰ লগতে আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাছুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

শিৱসাগৰ নগৰৰ ব'ৰ্ডিং খেলপথাৰত কালি অনুষ্ঠিত নৱম গ্ৰন্থমেলাত লেখিকা উৰুলি কাশ্যপৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। ড০ মাধুৰ্য মণ্ডিত বৰুৱাই **সাহিত্য প্ৰাচ্য-প্ৰতীচ্য** আৰু শিৱসাগৰ জিলাৰ শিক্ষা বিষয়া দেৱজ্যোতি গগৈয়ে **চিঠি এখন লিখিবনে আপুনি** শীৰ্ষক কাব্যগ্ৰন্থখন উন্মোচন কৰে। উল্লেখযোগ্য যে গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সাহিত্যিক, শিক্ষাবিদৰ লগতে বহুকেইগৰাকী সমল ব্যক্তি উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**